(জ) বেজবৰুৱাৰ নাটকত পাশ্চাত্য প্ৰভাৱ কিদৰে পৰিলক্ষিত হৈছে, চমুকৈ লিখা।

(ঝ) পাঠ্য কবিতাৰ আলমত বেজবৰুৱাৰ কবিতাত প্ৰতিফলিত ৰমণ্যাসিক আদৰ্শৰ এক চমু খতিয়ান দাঙি ধৰা।

৪। যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×২=২০

(ক) চুটিগল্প আৰু নাটকৰ সাদৃশ্য আৰু বৈসাদৃশ্যবোৰ লিখা।

(খ) 'চক্ৰধ্বজ সিংহ' নাটকৰ মূল বিষয়বস্তু সম্পৰ্কে লিখা।

(গ) অসমীয়া চুটিগল্পৰ ইতিহাসলৈ বেজবৰুৱাৰ অৱদান সম্পৰ্কে আলোচনা আগবঢ়োৱা।

৫। উত্তৰ দিয়া (যি কোনো এটা) : ১৪

(ক) অসমীয়া চুটিগল্পৰ উদ্ভৱ আৰু ক্ৰমবিকাশ সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰা।

(খ) "লক্ষ্মীনাথ বেজবৰুৱাক চুটিগল্পৰ জনক বুলি কোৱা হয়।" কথাষাৰৰ যথাৰ্থতা বিচাৰ কৰা।

★★★





**2020**

## ASSAMESE

Paper : ASM DSE 4

**( Study on Special Author )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

**ক—শাখা বা খ—শাখা যি কোনো এটা শাখাৰ উত্তৰ কৰিবা**

**ক—শাখা**

**( মাধৱ কন্দলি )**

১। শুদ্ধ উত্তৰটো বাচি উলিওৱা : ১×৬=৬

(ক) সুন্দৰাকাণ্ডৰ মুঠ পদসংখ্যা

(১) ৮৪৫

(২) ৮৭৫

(৩) ৮৫৭

(৪) ৮৫৪

(খ) মন্থৰা কাৰ আলধৰা আছিল?

(১) কৌশল্যাৰ

(২) সুমিত্ৰাৰ

(৩) কৈকেয়ীৰ

(৪) নৈকেষীৰ

(গ) মাধৱ কন্দলিয়ে কাৰ ৰাজ পৃষ্ঠপোষকতাত সাহিত্যচৰ্চা কৰিছিল?

(১) ইন্দ্ৰনাৰায়ণৰ

(২) মহামাণিক্যৰ

(৩) দুৰ্লভ নাৰায়ণৰ

(৪) নৰনাৰায়ণৰ

(ঘ) কিষ্কিন্ধা কাণ্ডৰ পদসংখ্যা

(১) ৫৭২

(২) ৫৭৫

(৩) ৫৭৩

(৪) ৫৭৬

(ঙ) মাধৱ কন্দলিয়ে 'ৰামায়ণ'ৰ কেইটা কাণ্ড অনুবাদ কৰিছিল?

(১) ৪ টা

(২) ৫ টা

(৩) ৬ টা

(৪) ৭ টা

(চ) মাধৱ কন্দলিক কোনে 'অপ্ৰমাদী কবি' আখ্যা দিছিল?

(১) শংকৰদেৱে

(২) অনন্ত কন্দলিয়ে

(৩) মাধৱদেৱে

(৪) ৰুদ্ৰ কন্দলিয়ে





২। চমু উত্তৰ দিয়া : ২×৫=১০

(ক) নৈকেষী কোন? তেওঁৰ পুত্ৰৰ নাম কি আছিল?

(খ) বালীয়ে কাক হৰণ কৰিছিল আৰু তেওঁ কাৰ পত্নী আছিল?

(গ) হনুমন্ত কোন? তেওঁ কাৰ ভক্ত আছিল?

(ঘ) বিভীষণৰ ভাতৃদ্বয়ৰ নাম লিখা।

(ঙ) ইন্দ্ৰজিৎ কাৰ পুত্ৰ? তেওঁৰ অন্য এটা নাম কি?

৩। উত্তৰ দিয়া (যি কোনো ছটা) : ৫×৬=৩০

(ক) সুন্দৰাকাণ্ডত প্ৰকৃতিৰ চিত্ৰ কিদৰে বৰ্ণিত হৈছে, দৃষ্টান্তসহ লিখা।

(খ) মন্থৰাই কৈকেয়ীক কেনেদৰে কুমন্ত্ৰণা দিছিল, তোমাৰ ভাষাত লিখা।

(গ) কৈকেয়ীয়ে দশৰথক বৰভিক্ষা মগাৰ পিছত ৰামে পিতাকক কেনেদৰে আশ্বাসবাণী দিছিল, লিখা।

(ঘ) ৰাম আৰু লক্ষ্মণে সৈন্যসহ কৰা যুদ্ধযাত্ৰাৰ বৰ্ণনা দিয়া।

(ঙ) ৰামক বনবাসৰ পৰা ওভতাই আনিবলৈ ভৰতে কেনেদৰে উদ্যোগ লৈছিল?

(চ) বালী আৰু সুগ্ৰীৱৰ যুদ্ধৰ বৰ্ণনা দিয়া।

(ছ) মাধৱ কন্দলিৰ সাহিত্যৰ ভাষিক বিশেষত্বসমূহ বিৱৰি লিখা।

(জ) ভৰত চৰিত্ৰটিৰ চমু বিৱৰণ দাঙি ধৰা।

(ঝ) হনুমন্তৰ ৰামভক্তি যথাযথ নিদৰ্শনসহ দাঙি ধৰা।

৪। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×২=২০

(ক) অযোধ্যাকাণ্ডৰ ৰামৰ অভিষেক উৎসৱৰ পৰিৱেশটি বৰ্ণনা কৰা।

(খ) হনুমন্তৰ লংকাযাত্ৰাৰ বৰ্ণনা 'সুন্দৰাকাণ্ড'ত কেনেদৰে চিত্ৰিত হৈছে?

(গ) প্ৰাকশংকৰীযুগৰ শ্ৰেষ্ঠ কবিজনাৰ চমু পৰিচয় দি তেওঁৰ সাহিত্যৰাজিৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

৫। উত্তৰ দিয়া (যি কোনো এটা) : ১৪

(ক) অৰণ্যত ৰাম আৰু ভৰতৰ কথোপকথনৰ মাজেৰে ভাতৃস্নেহৰ ছবিখন কেনেদৰে পৰিস্ফুট হৈছে, পাঠৰ আধাৰত লিখা।

(খ) "কবিসৱ নিবন্ধয় লোকব্যৱহাৰে, কতো নিজ কতো লম্ভা কথা অনুসাৰে।" কাব্যফাঁকিৰ আধাৰত মাধৱ কন্দলিৰ অনুবাদৰ মৌলিকতা বিচাৰ কৰা।





## খ—শাখা

### ( লক্ষ্মীনাথ বেজবৰুৱা )

১। শুদ্ধ উত্তৰটো বাচি উলিওৱা : ১×৬=৬

(ক) অসমীয়া সাহিত্যৰ কোনটো যুগক বেজবৰুৱাৰ যুগ বুলিও কোৱা হয়?

(১) অৰুণোদয় যুগক

(২) জোনাকী যুগক

(৩) আৱাহন যুগক

(৪) ৰামধেনু যুগক

(খ) 'কাশীবাসী' গল্পৰ পটভূমি

(১) বঙালী সমাজ

(২) বড়ো সমাজ

(৩) মিছিং সমাজ

(৪) ৰাভা সমাজ

(গ) 'বাঁহী' আলোচনীৰ সম্পাদক

(১) চন্দ্ৰকুমাৰ আগৰৱালা

(২) হেমচন্দ্ৰ বৰুৱা

(৩) লক্ষ্মীনাথ বেজবৰুৱা

(৪) হেমচন্দ্ৰ গোস্বামী

(ঘ) কোনজন জোনাকী যুগৰ 'ত্ৰিমূৰ্তি'ৰ অন্তৰ্ভুক্ত নহয়?

(১) চন্দ্ৰকুমাৰ আগৰৱালা

(২) লক্ষ্মীনাথ বেজবৰুৱা

(৩) হেমচন্দ্ৰ বৰুৱা

(৪) হেমচন্দ্ৰ গোস্বামী

(ঙ) অসমীয়া চুটিগল্পৰ জনক হ'ল

(১) শৰৎচন্দ্ৰ গোস্বামী

(২) লক্ষ্মীনাথ বেজবৰুৱা

(৩) হলীৰাম ডেকা

(৪) ভবেন্দ্ৰনাথ শইকীয়া

(চ) 'চক্ৰধ্বজ সিংহ' নাটকখন

(১) সামাজিক

(২) ৰাজনৈতিক

(৩) ঐতিহাসিক

(৪) এবছাৰ্ড

২। চমু উত্তৰ দিয়া : ২×৫=১০

(ক) শুনা ঐ বৰাগী আনন্দৰ কাহিনী
অসমৰ যশৰাশি
হিয়া মোৰ হেৰ' বলৱন্ত হোৱা
পৰাণ উঠক উল্লাসি।

এই কবিতাফাঁকিৰ জৰিয়তে কবিয়ে কি বুজাব বিচাৰিছে, লিখা।





(খ) লক্ষ্মীনাথ বেজবৰুৱাৰ জন্ম আৰু মৃত্যু কেতিয়া হৈছিল?

(গ) 'কাশীবাসী' গল্পটোৰ পটভূমি কোন সময়ৰ আৰু গল্পটোৰ মূল উপজীব্য কি?

(ঘ) লক্ষ্মীনাথ বেজবৰুৱাৰ দুখন বুৰঞ্জীমূলক নাটকৰ নাম লিখা।

(ঙ) 'চক্ৰধ্বজ সিংহ' নাটকৰ নাট্যকাৰজনৰ নাম কি? নাটকখন কোন শ্ৰেণীৰ নাটক?

৩। উত্তৰ দিয়া (যি কোনো ছটা) : ৫×৬=৩০

(ক) 'বীণ-ব'ৰাগী' কবিতাত কবিৰ অসমৰ অতীত সোঁৱৰণৰ হাবিয়াস কিদৰে প্ৰকাশ পাইছে, লিখা।

(খ) লক্ষ্মীনাথ বেজবৰুৱাৰ গল্পসমূহৰ বৈশিষ্ট্য বিচাৰ কৰা।

(গ) 'মোৰ জীৱন সোঁৱৰণ' গ্ৰন্থত প্ৰকাশ পোৱা শৈশৱ আৰু কৈশোৰত বিশেষভাৱে লেখকক প্ৰভাৱ পেলোৱা কেইটামান ঘটনাৰ বিষয়ে লিখা।

(ঘ) চুটিগল্প হিচাপে 'কাশীবাসী' গল্পটো মূল্যায়ন কৰা।

(ঙ) চক্ৰধ্বজ সিংহৰ নাটকখনত কোনবোৰ নাটকীয় বৈশিষ্ট্য ফুটি উঠিছে, লিখা।

(চ) অসমীয়া নাট্যজগতলৈ বেজবৰুৱাৰ অৱদান সম্পৰ্কে লিখা।

(ছ) আত্মজীৱনীৰ লক্ষণবোৰ কি কি, লিখা।